RNI REGN. No. : ASSASS/2019/78693
epaper.asomaditya.com
Portal : www.asomaditya.com
e-mail : asomaditya@gmail.com

# অসম আদিত্য

**স্বাস্থ্য**

পেটফুলা ৰোগত বতা চৰাইৰ কণী খালে সহজতে আৰাম পোৱা যায়। ইয়াৰ কণীয়ে মগজুৰ বিকাশত অৰিহণা যোগায়। শৰীৰত হোৱা বাতবিষ বা গাঁঠিৰ বিষো নিৰ্মূল কৰে।

২৯ মাঘ, ১৯৪৫ শক ■ মঙলবাৰ, ১৩ ফেব্ৰুৱাৰী, ২০২৪ ■ Asom Aditya, Dibrugarh, Tuesday, February 13, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত ■ ডিব্ৰুগড় সংস্কৰণ



## 'নিযুত মইনা' আঁচনিৰ পৰা মহিলা উদ্যমিতালৈকে

# চতুৰ্থখন বাজেটত নাৰীক অগ্ৰাধিকাৰ ৰাজ্যৰ প্ৰথমগৰাকী মহিলা বিত্তমন্ত্ৰী অজন্তা নেওগৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১২ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ প্ৰথমগৰাকী মহিলা বিত্তমন্ত্ৰীয়ে আজি তেওঁৰ চতুৰ্থখন বাজেট সদনত দাখিল কৰে। তাৎপৰ্যপূৰ্ণভাৱে এই চতুৰ্থখন বাজেটত মহিলাই লাভ কৰিছে বিশেষ অগ্ৰাধিকাৰ। নিযুত মাইনাৰ পৰা মুখ্যমন্ত্ৰীৰ ২ পৃষ্ঠাত



## সৰ্বদিশতে ত্বৰান্বিত হোৱাৰ সম্ভাৱনা

■ ড° শশীকান্ত শইকীয়া



অসম চৰকাৰৰ বিত্ত মন্ত্ৰী অজন্তা নেওগে আজি অসম বিধানসভাত ২০২৪-২৫ বৰ্ষৰ বাজেট দাখিল কৰে। ৬ পৃষ্ঠাত

## ৰ পৰা ৰামভক্তৰ প্ৰসংগলৈকে

